Acc.No:...3

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

For and on behalf of ... Assam Region, Guwahati invites Tenders on REGULAR ... on the following:

Brahmachari of West Garo Hills. ... agitation, a ... Dattatraya Sahasrabudhe, chairman of the ... Technical Education (AICTE) ...

# Cancer awareness programme organised

CORRESPONDENT

JALUKBARI, Feb 3: Ahead of World Cancer Day on February 4, a cancer awareness programme was organised on Thursday at Dhakin Kamrup Girls' College, Mirza.

Renowned cancer specialist and managing director of the Northeast Cancer Hospital and Research Centre Dr Munindra Narayan Baruah discussed at length the burden that accrues from cancer. He spoke on the alarming rise in cancer cases in Assam and the entire North East in recent years. He talked at length about different factors causing cancers, especially tobacco. He also referred to the shortage of health practitioners as well as infrastructure for effective treatment of cancer in the State.

Dr Baruah called for public awareness about cancer and advocated preventive measures. Mentioning that 'mother is the health of a family,' he urged the young girl students to prepare for becoming caring mothers in future.

World Cancer Day is an international day marked on February 4 every year to raise awareness about cancer and to encourage its prevention, detection and treatment. World Cancer Day was founded by the Union for International Cancer Control (UICC) to support the goals of the World Cancer Declaration of 2008.

To be observed this year under the tagline 'We can. I can,' World Cancer Day will explore how people collectively or as individuals can do their part to reduce the global burden of cancer.

The session was chaired by Professor Hira Neog, president, governing body of the college and was attended by a large number of students, faculty members, governing body members and well-wishers.

Prof Jogen Chandra Kalita, Gauhati University nominee to the college governing body, spoke of the occasion and encouraged the young students to do research on cancers and appealed to all to make people locally aware about cancer. Dr Gajendra Adhikary, principal of the college, coordinated the entire session.

ASSAM ELECTRICITY GRID CORPORATION LIMITED

NOTICE INVITING TENDER

IFB No. AEGCL/MD/Tech-623/PSDF/INSTR/Package A/IFB

The Managing Director, AEGCL, Bijulee Bhawan, Paltan Bazar,

The Assam Tribune = 04, February - 2017. P. No = 7

Acc.No: 4


লোৱাৰ লগতে স্বাস্থ্য সুৰক্ষাৰ কেতবোৰ সামগ্ৰী বিতৰণ কৰে।

পাততে এৰি অহাৰ ফলত মূল্যবোধৰ অৱক্ষয় সম্বৰ্দ্ধনা জনোৱা হয়।

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা

নিজা বাতৰি দিওঁতা

বৰিহাট, ২৬ আগষ্ট ঃ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত বৰ্ণাঢ্য কাৰ্যসূচীৰে আজি নৱাগত আদৰণী সভাখন অনুষ্ঠিত হয়। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অৰণ্য মানৱ যাদৱ পায়েং। মহাবিদ্যালয়খনৰ ছাত্ৰী একতা সভাৰ উদ্যোগত



অনুষ্ঠিত নৱাগত আদৰণী সভাত উপস্থিত থাকি যাদৱ পায়েঙে কয় যে পৃথিৱী নাথাকিলে অনুষ্ঠান-প্ৰতিষ্ঠান অপ্ৰাসংগিক হৈ পৰিব। পৃথিৱীখনত মানুহে বহু অনুষ্ঠান-প্ৰতিষ্ঠান পাতিব পাৰে, কিন্তু পৃথিৱীখন সেউজীয়া কৰি নাৰাখিলে এদিন পৃথিৱীখন ধ্বংস হৈ পৰিব। ডাঙৰে গছ কাটে সৰুৱে গছ ৰোপণ কৰে। কিন্তু গছ ৰোপণ কৰিলেই নহ'ব সেইবোৰৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাহে ডাঙৰ কথা। চৰকাৰে বছৰি বিশ্ব পৰিৱেশ" দিৱস পাতি কোটি কোটি টকা শৰাধ কৰিছে। কিন্তু প্ৰকৃতি সংৰক্ষণ সেই অনুপাতে হোৱা দেখা নাই। বিশ্বত বৰ্তমান যিমান পৰিমাণৰ গছ আছে সেই গছখিনি সংৰক্ষণ কৰিবলৈ তেওঁ ৰাইজলৈ আহ্বান জনায়। আনহাতে, সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা পলাশবাৰী সমষ্টিৰ বিধায়ক প্ৰণৱ কলিতাই ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্য প্ৰেৰণামূলক বক্তব্য আগবঢ়ায়। নৱাগত আদৰণী সভাত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী হীৰা নেওগ, নিৰ্দিষ্ট বক্তা হিচাপে সদৌ অসম কামৰূপ জিলা ছাত্ৰ সন্থাৰ সম্পাদক নিৰোদ কুমাৰ দাসৰ লগতে কণ্ঠশিল্পী ভিতালী দাসো উপস্থিত থাকে। ইয়াৰ আগেয়ে পুৱা ৯ বজাত পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে। শ্বহীদ তৰ্পণ কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি ৰিতুমণি চৌধুৰী আৰু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উপ-সভানেত্ৰী দীপান্বিতা দাসে। প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট' উন্মোচন কৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞাই। 'জোনাকী' উন্মোচন কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সম্পাদক পৃথিৱী দাসে। হাতেলিখা পত্ৰিকা 'নীহাৰিকা' উন্মোচন কৰে উক্ত মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হৰেন দাসে। ১০ বজাত মঞ্চ মুকলি আৰু ন-পুৰণি সতীৰ্থ সন্মিলন আৰু সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° সৰস্বতী কলিতাই। স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰাচীৰ পত্ৰিকা 'হাঁচতি' উন্মোচন কৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান প্ৰত্যায়ন কোষৰ সমন্বয়ক মীনাক্ষি বৈৰাগীয়ে।

Acc.No:....4

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

DAINIK ASAM = 27, August - 2017. P.-9

দৈনিক অসম = ২৭ আগষ্ট - ২০১৭. পৃ: ৯

Acc.No:...5

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

# মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা



**নিয়মীয়া বাৰ্তা, মিৰ্জা, ২৬ আগষ্ট ঃ** দক্ষিণ কামৰূপৰ স্ত্ৰী-শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত বৰ্ণাঢ্য কাৰ্যসূচীৰে আজি নৱাগত আদৰণী সভাখন অনুষ্ঠিত হয়। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অৰণ্য মানৱ যাদৱ পায়েং। মহাবিদ্যালয়খনৰ ছাত্ৰী একতা সভাৰ উদ্যোগত অনুষ্ঠিত নৱাগত আদৰণী সভাত উপস্থিত থাকি যাদৱ পায়েঙে কয় যে পৃথিৱী ১৩ পৃষ্ঠাত

## মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নৱাগত আদৰণী

নাথাকিলে অনুষ্ঠান-প্ৰতিষ্ঠান অপ্ৰাসংগিক হৈ পৰিব। পৃথিৱীখনত মানুহে বহু অনুষ্ঠান-প্ৰতিষ্ঠান পাতিব পাৰে, কিন্তু পৃথিৱীখন সেউজীয়া কৰি নাৰাখিলে এদিন পৃথিৱীখন ধ্বংস হৈ পৰিব। ডাঙৰে গছ কাটে সৰুৱে গছপুলি ৰোপণ কৰে। কিন্তু গছপুলি ৰোপণ কৰিলেই নহ'ব, সেইবোৰৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাহে ডাঙৰ কথা। চৰকাৰে বছৰি বিশ্ব পৰিৱেশ দিৱস পাতি কোটি কোটি টকা শৰাধ কৰিছে। কিন্তু প্ৰকৃতি সংৰক্ষণ সেই অনুপাতে হোৱা দেখা নাই। বিশ্বত বৰ্তমান যিমান পৰিমাণৰ গছ আছে সেই গছখিনি সংৰক্ষণ কৰিবলৈ তেওঁ ৰাইজলৈ আহ্বান জনায়। প্ৰকৃতিৰ ভয়ংকৰ দুৰ্যোগৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰী বা মানুহক গছত উঠা আৰু সাঁতোৰা আদি প্ৰশিক্ষণ দিবলৈও তেওঁ ভাষণত উল্লেখ কৰে। আনকি পাঠ্যপুথিত পৰিৱেশ বিষয়ক পাঠ্যক্ৰমত অন্তৰ্ভুক্তিৰো দাবী তোলে পায়েঙে। আনহাতে, সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা পলাশবাৰী সমষ্টিৰ বিধায়ক প্ৰণৱ কলিতাই ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্য প্ৰেৰণামূলক বক্তব্য আগবঢ়ায়। নৱাগত আদৰণী সভাত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী হীৰা নেওগ, নিৰ্দিষ্ট বক্তা হিচাপে সদৌ অসম কামৰূপ জিলা ছাত্ৰ সন্থাৰ সম্পাদক নিৰোদ কুমাৰ দাসৰ লগতে জনপ্ৰিয় কণ্ঠশিল্পী ভিতালী দাস উপস্থিত থাকি গীত পৰিৱেশন কৰি ছাত্ৰ-ছাত্ৰীসকলক আপ্লুত কৰে। ইয়াৰ আগেয়ে পুৱা ৯ বজাত পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে। ৯.১৫ বজাত শ্বহীদ তৰ্পণ কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি বিতুমণি চৌধুৰী আৰু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উপ-সভানেত্ৰী দীপান্বিতা দাসে। ৯.৩০ বজাত প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট' উন্মোচন কৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞাই। ৯.৪০ বজাত 'জোনাকী' উন্মোচন কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সম্পাদক পৃথিৱী দাসে। ৯.৪৫ বজাত হাতেলিখা 'নীহাৰিকা' উন্মোচন কৰে উক্ত মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হৰেন দাসে। ১০ বজাত মঞ্চ মুকলি আৰু ন-পুৰণি সতীৰ্থ সন্মিলন আৰু সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° সৰস্বতী কলিতাই। ১০.১০ বজাত স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰাচীৰ পত্ৰিকা 'হাঁচতি' উন্মোচন কৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সমন্বয়ক, আভ্যন্তৰীণ মান প্ৰত্যায়ন কোষ মীনাক্ষি বৈৰাগীয়ে।

NIYOMIYA BARTA = 27 August, 2017 P. = 3

Acc.No: 6

smuggled items worth over Rs 2 crore have been seized.

# NE history body meet

STAFF REPORTER

GUWAHATI, Sept 21: The 38th session of the North East India History Association (NEIHA) will be held with a four-day programme at the Dakshin Kamrup Girls' College, Mirza, from October 2 next.

According to a press release issued by the organisers of the session, Governor Banwarilal Purohit will be the chief guest at the opening ceremony of the session. The last session of the Association was held at the Sikkim Government College in November, 2016.

The NEIHA was established in 1979 and its first president was renowned historian Prof HK Barpujari. At present it has over 1,000 life members. Even scholars from foreign countries have shown an interest in getting associated with the Association, added the press release.

## Honour for law

The Assam Tribune = 22 - September - 2017. P.-7

Dakshin Kamrup Girls' College Library ★ Mirza ★ Estd. 1988

Acc. No: 7

সমাগম
বেলিও
হ বলি
লাখনৰ
ৰ দিনা
ৰ বাবে
ব্যৱস্থা
পায়ুক্ত
নিবলৈ
পূজা
আইন-
শ দিয়া
লাখনৰ
ৰ বাবে
দ্বিতীয়
া হ'ব।
য় মানি

সম্ভাৱনা আছে।

# গৱেষণা সংস্থা নেইহাৰ তিনিদিনীয়াকৈ অধিৱেশন

নিজা বাতৰি দিওঁতা

**ৰবিহাট, ২৩ ছেপ্টেম্বৰ ঃ** উত্তৰ-পূব ভাৰত ইতিহাস সংস্থা চমুকৈ নেইহাৰ উদ্যোগত অহা দুই অক্টোবৰৰপৰা তিনিদিনীয়া এক বৰ্ণাঢ্য কাৰ্যসূচীৰে মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত সংস্থাৰ ৩৮ সংখ্যক অধিৱেশনখন অনুষ্ঠিত কৰা হ'ব। এই উপলক্ষে প্ৰথম দিনা দিনৰ ১১ বজাত উক্ত অধিৱেশনখন উদ্বোধন কৰিব অসমৰ ৰাজ্যপাল বনৱাৰীলাল পুৰোহিতে। আনহাতে, এক অক্টোবৰৰ আবেলিৰপৰা প্ৰতিনিধি শিবিৰত পঞ্জীয়ন কৰা হ'ব। সেয়ে সংস্থাৰ সকলো সদস্য আৰু শুভাকাংক্ষীকে উক্ত অধিৱেশনত যোগদান কৰিবলৈ আহ্বায়ক সমিতিৰ হকে স্থানীয় সম্পাদক তথা উক্ত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে আহ্বান জনাইছে।

## দুৰ্গোৎসৱ ঃ বৰপেটাত

DAINIK ASAM = September 24 - 2017 .P. 9

★ Dakshin Kamrup Girls College Library ★ Mirza Estd. 1988

Acc.No: ৪

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

মিৰ্জাত উত্তৰ-পূব ভাৰত ইতিহাস সন্মিলনৰ অধিৱেশন

# ভাৰতীয় সংস্কৃতি পাঁচ হাজাৰ বছৰ পুৰণি ঃ ৰাজ্যপাল পুৰোহিত

নিয়মীয়া বাৰ্তা, মিৰ্জা, ২ অক্টোবৰ ঃ অসমৰ ৰাজ্যপাল বনৱাৰিলাল পুৰোহিতে বিভিন্ন যুদ্ধ-বিগ্ৰহ, ধৰ্মৰ লগতে স্বাধীনতা সংগ্ৰামীৰ ইতিহাসৰ কথাৰে আজি পুনৰ ভাৰত তথা অসমৰ ইতিহাস সোঁৱৰণ কৰে। স্বামী বিবেকানন্দ, মহাপুৰুষ শংকৰদেৱ, ঝান্সীৰ ৰাণী লক্ষ্মীবাই, ছত্ৰপতি শিৱাজী, কামাখ্যা দেৱীৰ কথা সোঁৱৰণ কৰি ভাৰতীয় সংস্কৃতি প্ৰায় পাঁচ হাজাৰ বছৰ পুৰণি বুলি তেওঁ বক্তব্য প্ৰদান কৰে। সেই পুৰণি ভাৰতীয় সংস্কৃতি আজিও সমাজত বৰ্তি আছে। উত্তৰ-পূব ভাৰত ইতিহাস সন্মিলনী, চমুকৈ নেইহাৰ উদ্যোগত মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত ৩৮সংখ্যক অধিৱেশনখন আজি দিনৰ ১১ বজাত উদ্বোধন কৰি ৰাজ্যপালগৰাকীয়ে এনে বক্তব্য প্ৰদান কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে যাতে সাধুতা গুণ আহৰণ কৰিব পাৰে তাৰ বাবে *১০ পৃষ্ঠাত চাওক*

## ভাৰতীয় সংস্কৃতি পাঁচ হাজাৰ বছৰ পুৰণি ঃ ৰাজ্যপাল

যতন ল'বলৈ অভিভাৱকসকলক আহ্বান জনায়। সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা প্ৰিয়ম গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত অধিৱেশনত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি বুৰঞ্জী আৰু ভূগোল বিষয় দুটা পুনৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰলৈ আহ্বান জনায়। আৰম্ভণিতে নেইহাৰ স্থানীয় সম্পাদক তথা উক্ত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে আদৰণী ভাষণ আগবঢ়ায়। লগতে অসমৰ ৰাজ্যপাল বনৱাৰিলাল পুৰোহিতক শৰাই, ফুলৰ থোপা, ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় উদ্যোক্তাসকলে। অধিৱেশনত স্থানীয় বিধায়ক প্ৰণৱ কলিতা, কামৰূপ জিলাৰ উপায়ুক্ত বিনোদ চেছান, নেইহাৰ সম্পাদক অধ্যাপক এ কে ঠাকুৰ, ভাস্কৰ বৰ্মা সংস্কৃত আৰু এনচিয়েণ্ট ষ্টাডিজ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য দীপক কুমাৰ শৰ্মা, বিশিষ্ট গৱেষক, শিক্ষাবিদকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ পৰা অহা প্ৰায় দুশ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ লগত সংগতি ৰাখি কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। লগতে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখন গ্ৰন্থমেলাৰো আয়োজন কৰে উদ্যোক্তাসকলে। দক্ষিণ কামৰূপৰ মিৰ্জাত পোনপ্ৰথমবাৰৰ বাবে এই অধিৱেশন অনুষ্ঠিত কৰাত অঞ্চলবাসীয়ে গৌৰৱ অনুভৱ কৰে।

NIYOMIYA BARTA = 03 October-2017. P.-3

নিয়মীয়া বাৰ্তা = ০৩ অক্টোবৰ - ২০১৭. পৃ: = ৩

Acc.No: 9

## Assam governor urges experts to play proactive role

# Focus on NE, historians told

A STAFF REPORTER



Assam governor Banwarilal Purohit speaks at the conference in Mirza on Monday

**Guwahati, Oct. 2:** Outgoing Assam governor Banwarilal Purohit urged upon the historians of the Northeast to play a "proactive role in acting as a bridge between past and present generation".

Inaugurating the 38th annual conference of the North East India History Association at Dakshin Kamrup Girls' College in Mirza, Purohit said present-day historians must take a lead in writing books on the role of freedom fighters and their supreme sacrifices so that the present generation gets to know and study about them and inculcate a sense of belongingness and responsibility for nation building.

Purohit, who will soon take over as the governor of Tamil Nadu, referring to the study undertaken by the historians of the region, said regional study should be complementary and not competitive.

"Concentrate on national duty by re-searching the history of the region and publishing them," he said.

Purohit also asked the historians of the nation to take initiative in re-writing the history of India by incorporating their findings about the Northeast and its role in the history and culture of the country, so that national history becomes "comprehensive and complete".

He, however, lamented the fact that the people in other parts of the country do not have much knowledge about the uniqueness of this region.

He, therefore, requested the historians of the region to don the responsibility to take corrective steps and write books eulogizing the role of the freedom fighters of the Northeast along with other great achievers so that the history of this part of the country is read and understood on a par with the national history of the entire nation.

Emphasising the great role played by the historians in bridging time gaps between generations, Purohit said, "It is the historians who always bring semblance and build a repository of knowledge about the past for the present generation to know and cherish. The study of history is not only for pride and glory, its importance is immense for national integration and inclusive development of the nation."

The governor called upon the historians present at the conference to do their national duty and project the history of the region in the right perspective.

The annual conference which was organised by the North East India History Association was attended by Palasbari MLA Pranab Kalita, All Assam Students' Union chief adviser Samujjal Bhattacharjya, Kumar Bhaskar Varma Sanskrit and Ancient Studies University vice-chancellor Dipak Kr Sarma, DK Girls' College, Mirza, principal Gajendra Adhikary, Conference of North East India History Association chairperson Priyam Goswami, Kamrup deputy commissioner Vinod Seshan and a host of other dignitaries.

THE TELEGRAPH = 03 october = 2017

P. = 6

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

Acc.No: 10

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

## মিৰ্জাৰ দক্ষিণ-কামৰূপ ছোৱালী মহাবিদ্যালয়ত উত্তৰ-পূব ভাৰত ইতিহাস সন্মিলন

# চৰিত্ৰ গঠন ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে অপৰিহাৰ্যঃ ৰাজ্যপাল পুৰোহিত



আমাৰ খবৰ, পলাশবাৰী, ২ অক্টোবৰ ঃ অসমৰ লাচিত বৰফুকন, মহাৰাষ্ট্ৰৰ ৰাণাপ্ৰতাপ সিং, ঝাঁচীৰাণী লক্ষ্মীবাই, ছত্ৰপতি শিৱাজী, বীৰ চিলাৰায়ৰ দৰে বীৰ আৰু বীৰত্বৰ কাহিনীৰে গৌৰৱান্বিত আমাৰ দেশ। পাঁচ হেজাৰ বছৰ পুৰণি ভাৰতীয় সভ্যতা ঋকবেদ, যজুৰবেদৰ পৰা আৰম্ভ হৈ আজি গৌৰৱ উজ্জ্বলভাৱে বিশ্বৰ ইতিহাসত উজলি আছে। অসমৰ পৰিচয়ৰ লেণ্ডমাৰ্ক হিচাপে পৰিচিত কামাখ্যাৰ দৰে উত্তৰ-পূবৰ প্ৰায়কেইখন ৰাজ্যই ধৰ্মীয় ইতিহাসেৰে প্ৰসিদ্ধ। দেৱ-দেৱীৰ লগতে উত্তৰ-পূবৰ এই বীৰসকলৰ শৌৰ্য-বীৰ্যই আমাক উজ্জীৱিত কৰি ৰাখিব। এইদৰে ইতিহাসৰ বীৰ আৰু বীৰত্বৰ কাহিনী বৰ্ণাই ৰাজ্যপাল বানোৱাৰী লাল পুৰোহিতে আজি পলাশবাৰী সমষ্টিৰ মিৰ্জাস্থ দক্ষিণ-কামৰূপ ছোৱালী মহাবিদ্যালয়ত আজিৰ পৰা তিনিদিনীয়াকৈ আৰম্ভ হোৱা উত্তৰ-পূব ভাৰত ইতিহাস সন্মিলনীৰ ৩৮ সংখ্যক সন্মিলনৰ মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি ভাষণৰ আৰম্ভণিতে এইদৰে মন্তব্য কৰে। ৰাজ্যপাল পুৰোহিতে অসমৰ ৰাজ্যপাল হিচাপে এইখন তেওঁৰ অন্তিম সামাজিক অনুষ্ঠান বুলি দোহাৰি পুনৰ কয় যে ইতিহাসবিদসকলে আপোন ৰাজ্যত বিলীন হৈ থকাৰ সময়ত তেখেতসকলে ইতিহাসৰ এটা অবিচ্ছেদ্য অংগ পুৰাতত্ত্ব বিভাগকো সমান্তৰালভাৱে চৰ্চাৰ বিষয় হিচাপে গ্ৰহণ কৰিব লাগে। ৰাজ্যপালগৰাকীয়ে লগতে কয় যে চৰিত্ৰ গঠন আজি ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে অত্যন্ত প্ৰয়োজনীয়। দিনৰ প্ৰায় ১১.৫০ বজাত উত্তৰ-পূব ভাৰত ইতিহাস সন্মিলনী চমুকৈ নেইহাৰ এই তিনিদিনীয়া সন্মিলন উদ্বোধন কৰাৰ লগতে মুখ্য অতিথিৰূপে ভাষণ আগবঢ়াই ৰাজ্যপালগৰাকীয়ে এই সন্দৰ্ভত নেইহাক গভীৰভাৱে চিন্তা-চৰ্চা কৰিবলৈ আহ্বান জনায়। নেইহাৰ সভাপতি তথা আজিৰ শুভাৰম্ভণি উপলক্ষে আয়োজিত অনুষ্ঠানৰ সঞ্চালিকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা প্ৰিয়ম গোস্বামীয়ে এই সভাৰ সভাপতিৰ অভিভাষণ পাঠ কৰে। ইয়াৰ পূৰ্বে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ চন্দ্ৰ অধিকাৰীয়ে সভাৰ আদৰণী ভাষণ আগবঢ়ায়। সভাত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই নিজৰ ভাষণ প্ৰসংগত কয় যে উত্তৰ-পূবৰ জাতি গঠন প্ৰক্ৰিয়াত ইয়াৰ বৰ্ণিল ইতিহাসৰ অৰিহণা সৰ্বাধিক। অসমৰ বীৰ-বীৰাংগনাৰ কাহিনীক আমি ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰিবলৈ হ'লে আমাৰ বীৰ চিলাৰায়, লাচিত বৰফুকন, কনকলতা, মূলাগাভৰু, কুশল কোঁৱৰ আদিৰ কাহিনী, তেওঁলোকৰ ত্যাগ, নতুন প্ৰজন্মক জনাব লাগিব। উল্লেখ্য যে বাংলাদেশ, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড, মেঘালয় আদিৰ পৰা অহা (আজিলৈ) ১৮৯ গৰাকী প্ৰতিনিধিৰ ১৬৯ গৰাকী ইতিহাসৰ গৱেষক, ছাত্ৰ-ছাত্ৰীয়ে নিজৰ গৱেষণামূলক পত্ৰ পাঠ কৰিবলগীয়া এই সন্মিলনৰ আজিৰ এই অনুষ্ঠানত নেইহাৰ সাধাৰণ সম্পাদক তথা অধ্যাপক এ কে ঠাকুৰে চিনাকি পৰ্ব কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছত সন্মানীয় অতিথি তথা সংস্কৃত এণ্ড ছায়েন্স ষ্টাডিজ ইউনিভাৰচিটিৰ উপাচাৰ্য ভাস্কৰ বাৰ্মা, স্থানীয় বিধায়ক প্ৰণৱ কলিতা, কাহিলিপাৰাত থকা উচ্চ শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক বাবুলাল শৰ্মা, কামৰূপ জিলাৰ উপায়ুক্ত বিনোদ কুমাৰ চেচান আদিয়ে অংশগ্ৰহণ কৰে। এই সন্মিলনতে নেইহাৰ প্ৰচিডিং আৰু অন্যান্য কেইবাখনো গৱেষণামূলক গ্ৰন্থ সন্মানীয় অতিথিসকলে উন্মোচন কৰে।

ASOMIYA KHABAR = 03 October - 2017 P. 12

অসমীয়া খবৰ = ০৩ অক্টোবৰ = ২০১৭ . পৃঃ ১২

Acc.No: 11

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

# ভাৰতীয় সংস্কৃতি পাঁচ হেজাৰ বছৰ পুৰণি

## মিৰ্জাত উত্তৰ-পূব ভাৰত ইতিহাস সন্মিলনৰ অধিৱেশন

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২ অক্টোবৰ ঃ** ৰাজ্যপাল বানোৱাৰীলাল পুৰোহিতে বিভিন্ন যুদ্ধ-বিগ্ৰহ, ধৰ্মৰ লগতে স্বাধীনতা সংগ্ৰামীৰ ইতিহাসৰ কথাৰে আজি পুনৰ ভাৰত তথা অসমৰ ইতিহাস স্মৰণ কৰে। স্বামী বিবেকানন্দ, মহাপুৰুষ শংকৰদেৱ, ঝান্সীৰ ৰাণী লক্ষ্মীবাই, ছত্ৰপতি শিৱাজী, কামাখ্যা দেৱীৰ কথা সোঁৱৰণ কৰি ভাৰতীয় সংস্কৃতি প্ৰায় পাঁচ হেজাৰ বছৰ পুৰণি বুলি তেওঁ বক্তব্য আগবঢ়াই কয় যে সেই পুৰণি ভাৰতীয় সংস্কৃতি আজিও সমাজত বৰ্তি আছে। উত্তৰ-পূব ভাৰত ইতিহাস সন্মিলনী চমুকৈ নেইহাৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত নেইহাৰ ৩৮ সংখ্যক অধিৱেশনখনি দিনৰ ১১ বজাত উদ্বোধন কৰি ৰাজ্যপাল পুৰোহিতে এইদৰে বক্তব্য আগবঢ়ায়। তেওঁ ছাত্ৰীসকলে যাতে সাধুতা গুণ আহৰণ কৰিব পাৰে তাৰ বাবে যতন ল'বলৈ অভিভাৱকসকলক আহ্বান জনায়।

নেইহাৰ উক্ত অধিৱেশনৰ সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা প্ৰিয়ম গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত অধিৱেশনত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি বুৰঞ্জী আৰু ভূগোল বিষয় দুটা পুনৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰলৈ দাবী জনায়। আৰম্ভণিতে নেইহাৰ স্থানীয় সম্পাদক তথা উক্ত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে আদৰণি ভাষণ আগবঢ়ায়। অধিৱেশনত স্থানীয় বিধায়ক প্ৰণৱ কলিতা, কামৰূপ জিলাৰ উপায়ুক্ত বিনোদ শেষাণ, নেইহাৰ সম্পাদক অধ্যাপক এ কে ঠাকুৰ, ভাস্কৰ বৰ্মা সংস্কৃত আৰু এনচিয়েণ্ট ষ্টাডিজ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য দীপক কুমাৰ শৰ্মাই অংশগ্ৰহণ কৰে। ইয়াৰ স'তে সংগতি ৰাখি কে'বাখনো গ্ৰন্থ উন্মোচন কৰা হয়। লগতে মহাবিদ্যালয় প্ৰেক্ষাগৃহত এখনি গ্ৰন্থমেলাৰো আয়োজন কৰে উদ্যোক্তাসকলে।




*মিৰ্জাত উত্তৰ-পূব ভাৰত ইতিহাস সন্মিলনৰ অধিৱেশনত ৰাজ্যপাল বানোৱাৰীলাল পুৰোহিত আৰু আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্য, সোমবাৰে।*

DAINIK AGRADOOT = 03 October - 2017 . P. 7
দৈনিক অগ্ৰদূত = ৩ অক্টোবৰ = ২০১৭ . পৃঃ ৭

Acc.No: 12

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

### মিৰ্জাত উত্তৰ-পূব ভাৰত ইতিহাস সংস্থাৰ অধিৱেশন

# পাঁচ হেজাৰ বছৰ পুৰণি ভাৰতীয় সংস্কৃতি আজিও সমাজত বিদ্যমান ঃ ৰাজ্যপাল পুৰোহিত

প্ৰতিদিন সেৱা, মিৰ্জা, ২ অক্টোবৰ ঃ ৰাজ্যপাল বানোৱাৰীলাল পুৰোহিতে দেশৰ বিভিন্ন যুদ্ধ-বিগ্ৰহ, ধৰ্মৰ লগতে স্বাধীনতা সংগ্ৰামীৰ ইতিহাসৰ প্ৰসংগ উত্থাপন কৰি আজি পুনৰ ভাৰত তথা অসমৰ ইতিহাস স্মৰণ কৰে। স্বামী বিবেকানন্দ, মহাপুৰুষ শংকৰদেৱ, ঝান্সী ৰাণী লক্ষ্মীবাই, ছত্ৰপতি শিৱাজী, কামাখ্যা দেৱীৰ কথা স্মৰণ কৰি ভাৰতীয় সংস্কৃতি প্ৰায় পাঁচ হেজাৰ বছৰ পুৰণি বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয় যে সেই পুৰণি সংস্কৃতিয়ে আজিও সমাজক একতাৰ ডোলেৰে বান্ধি ৰাখিছে। আজিৰ পৰা তিনিদিনীয়া এক বৰ্ণাঢ্য কাৰ্যসূচীৰে মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত উত্তৰ-পূব ভাৰত ইতিহাস সংস্থা (নেইহা)ৰ ৩৮ সংখ্যক অধিৱেশনখন উদ্বোধন কৰি ৰাজ্যপালগৰাকীয়ে নেইহাৰ উত্তৰোত্তৰ কামনা কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা প্ৰিয়ম গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত অধিৱেশনত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই সন্মানীয় অতিথিৰ ভাষণত বুৰঞ্জী আৰু ভূগোল বিষয় দুটা পুনৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰক দাবী জনায়। আৰম্ভণিতে নেইহাৰ সম্পাদক তথা উক্ত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে আদৰণী ভাষণ দিয়ে। ৰাজ্যপাল পুৰোহিতক শৰাই, ফুলৰ থোপা, ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় উদ্যোক্তাসকলে। অধিৱেশনত কামৰূপ জিলাৰ উপায়ুক্ত বিনোদ শেষাণ, নেইহাৰ সম্পাদক অধ্যাপক এ কে ঠাকুৰ, বাস্কৰ বৰ্মা সংস্কৃত আৰু এনচিয়েণ্ট ষ্টাডিজ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য দীপক কুমাৰ শৰ্মা, স্থানীয় বিধায়ক প্ৰণৱ কলিতা, বিশিষ্ট লোক গৱেষক, শিক্ষাবিদকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় দুশ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ লগত সংগতি ৰাখি কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। মহাবিদ্যালয় প্ৰেক্ষাগৃহত এখন গ্ৰন্থমেলাৰো আয়োজন কৰে উদ্যোক্তাসকলে।



ASOMIYA PRATIDIN = 03 october = 2017. P.=7

অসমীয়া প্ৰতিদিন = ০৩ অক্টোবৰ = ২০১৭. পৃঃ=৭

Acc.No: 13

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

### মিৰ্জাত উত্তৰ-পূব ভাৰত ইতিহাস সন্মিলনৰ তিনিদিনীয়া অধিৱেশন মুকলি কৰি ৰাজ্যপাল বনোৱাৰীলাল পুৰোহিত

# পাঁচ হাজাৰ বছৰ পুৰণি ভাৰতীয় সংস্কৃতি আজিও সমাজত বৰ্তি আছে

**পলাশবাৰীৰ প্ৰতিবেদক, ৫ অক্টোবৰ ঃ** ৰাজ্যপাল বনোৱাৰীলাল পুৰোহিতে বিভিন্ন যুদ্ধ-বিগ্ৰহ, ধৰ্মৰ লগতে স্বাধীনতা সংগ্ৰামীৰ ইতিহাসৰ কথাৰে আজি পুনৰ ভাৰত তথা অসমৰ ইতিহাস সোঁৱৰণ কৰে। স্বামী বিবেকানন্দ, মহাপুৰুষ শংকৰদেৱ, ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ, ছত্ৰপতি শিৱাজী, কামাখ্যা দেৱীৰ কথা সোঁৱৰণ কৰি ৰাজ্যপালে কয় যে প্ৰায় পাঁচ হাজাৰ বছৰ পুৰণি ভাৰতীয় সংস্কৃতি আজিও সমাজত বৰ্তি আছে। উত্তৰ-পূব ভাৰত ইতিহাস সন্মিলনী চমুকৈ নেইহাৰ উদ্যোগত সোমবাৰে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত নেইহাৰ ৩৮সংখ্যক অধিৱেশন উদ্বোধন কৰি ৰাজ্যপালগৰাকীয়ে নেইহাৰ উত্তৰোত্তৰ কামনা কৰে। লগতে ছাত্ৰ-ছাত্ৰীসকলে যাতে সাধুতা গুণ আহৰণ কৰিব পাৰে তাৰ বাবে যত্ন ল'বলৈ অভিভাৱকসকলৰ প্ৰতি তেওঁ আহ্বান জনায়। নেইহাৰ এই অধিৱেশনৰ সভানেত্ৰী তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক প্ৰিয়ম গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত অধিৱেশনত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি বুৰঞ্জী আৰু ভূগোল বিষয় দুটা পুনৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰলৈ আহ্বান জনায়। আৰম্ভণিতে নেইহাৰ স্থানীয় সম্পাদক তথা দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে আদৰণী ভাষণ আগবঢ়ায়। উদ্যোক্তাসকলে ৰাজ্যপাল বনোৱাৰীলাল পুৰোহিতক শৰাই, ফুলৰ থোপা, ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। অধিৱেশনত স্থানীয় বিধায়ক প্ৰণৱ কলিতা, কামৰূপ জিলাৰ উপায়ুক্ত বিনোদ চেছান, নেইহাৰ সম্পাদক অধ্যাপক এ কে ঠাকুৰ, ভাস্কৰ বৰ্মা সংস্কৃত এণ্ড এনচিয়েণ্ট ষ্টাডীজ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য দীপক কুমাৰ শৰ্মা, বিশিষ্ট লোক গৱেষক, শিক্ষাবিদকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ পৰা অহা প্ৰায় দুশ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ লগত সংগতি ৰাখি অনুষ্ঠিত কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। লগতে মহাবিদ্যালয় প্ৰেক্ষাগৃহত এখন গ্ৰন্থমেলাৰো আয়োজন কৰে উদ্যোক্তাসকলে। দক্ষিণ কামৰূপৰ মিৰ্জাত পোন প্ৰথমবাৰৰ বাবে এই অধিৱেশন অনুষ্ঠিত কৰাত অঞ্চলবাসী ৰাইজে গৌৰৱ অনুভৱ কৰিছে।

AMAR ASOM = 06 October, 2017 . P.=10

আমাৰ অসম = ৬ অক্টোবৰ, ২০১৭. পৃঃ ১০

Acc.No: 14

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★



# মির্জাত উত্তৰ-পূৱ ভাৰত ইতিহাস সংস্থাৰ অধিৱেশন

**প্ৰতিদিন সেৱা, মির্জা, ৬ অক্টোবৰ ঃ** উত্তৰ-পূৱ ভাৰত ইতিহাস সংস্থা নেইহাৰ উদ্যোগত যোৱা দুই অক্টোবৰৰ পৰা তিনিদিনীয়াকৈ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হয় ৩৮ সংখ্যক অধিৱেশন। এই উপলক্ষে নেইহাৰ উপ-সভাপতি জে বি ভট্টাচাৰ্যৰ সভাপতিত্বত উক্ত মহাবিদ্যালয়ত এখন মুকলি সভা অনুষ্ঠিত হয়। সভাৰ আঁত ধৰে নেইহাৰ সাধাৰণ সম্পাদক এ কে ঠাকুৰে। সভাত উত্তৰ-পূব ভাৰত ইতিহাস সংস্থাৰ অহা বৰ্ষৰ ৩৯ সংখ্যক অধিৱেশনখন মেঘালয়ৰ শ্বিলঙৰ চিনদ মহাবিদ্যালয়ত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত নতুন সদস্য বিশগৰাকীয়ে নেইহাৰ সদস্য পদ গ্ৰহণ কৰে। এইবেলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা প্ৰিয়ম গোস্বামীক সভাপতি আৰু এ কে ঠাকুৰক সাধাৰণ সম্পাদক হিচাপে লৈ নেইহাৰ পোন্ধৰজনীয়া নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। উক্ত সভাত নেইহাৰ আজীৱন সদস্য ড° বিমান হাজৰিকাই চিত্ৰ শিল্পী মৃদু মৌচম বৰাৰ দ্বাৰা নেপাল স্ক'ৰল পেপাৰত অংকিত সত্ৰীয়া চিত্ৰ 'চিত্ৰ ভাগৱত' ছবিৰে সম্বৰ্ধনা জনায় নেইহাৰ সম্পাদক তথা উক্ত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীক। সভাত বাংলাদেশৰ ঢাকা বিশ্ববিদ্যালয়ৰ অধ্যাপক মজহৰউল হান্নানকে ধৰি উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়, অসম বিশ্ববিদ্যালয় শিলচৰ, ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, ডিব্ৰুগড়, গুৱাহাটী, নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা আদি বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়ৰ গৱেষক ছাত্ৰ-ছাত্ৰী, শিক্ষাবিদ আদিকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ পৰা অহা প্ৰায় তিনিশ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। আনহাতে সভাত এশ সত্তৰখন গৱেষণাপত্ৰ পাঠ কৰে বিভিন্ন গৱেষক লোকে। শলাগৰ শৰাই আগবঢ়ায় নেইহাৰ যুটীয়া সম্পাদক সাগৰ বৰুৱাই।

ASOMIYA PRATIDIN = 07 October, 2017. P. 9

অসমীয়া প্ৰতিদিন = ০৭ অক্টোবৰ, ২০১৭. পৃঃ- ৯

Acc.No: 15

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

# নতুন ইতিহাস

এই মাহৰ প্ৰথম সপ্তাহতে মির্জাৰ দক্ষিণ কামৰূপ কন্যা মহাবিদ্যালয়ত 'নৰ্থ-ইষ্ট ইণ্ডিয়া হিষ্ট্ৰী এছ'চিয়েচন'ৰ ৩৮ সংখ্যক সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনত বহুসংখ্যক ইতিহাসবিদ, গৱেষক, শিক্ষাবিদৰ উপস্থিতিৰ উপৰি অসমৰ প্ৰাক্তন ৰাজ্যপাল বনৱাৰীলাল পুৰোহিতো উপস্থিত আছিল। প্ৰাক্তন ৰাজ্যপালগৰাকীয়ে অসম তথা উত্তৰ-পূবৰ লেখক-গৱেষক-ইতিহাসবিদসকললৈ কেতবোৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল। প্ৰাক্তন ৰাজ্যপালগৰাকীয়ে অসম তথা উত্তৰ-পূবৰ ইতিহাসবিদসকলক অসম তথা উত্তৰ-পূবৰ মুক্তিযুঁজাৰু আৰু জীৱন উছৰ্গা কৰা সংগ্ৰামীসকলৰ জীৱন আৰু ইতিহাস লিখি দেশবাসীৰ আগত দাঙি ধৰিবলৈ আহ্বান জনাইছিল। অসমৰ প্ৰাক্তন ৰাজ্যপালগৰাকীয়ে অসম তথা উত্তৰ-পূবৰ ইতিহাসৰ ওপৰত গুৰুত্ব দি ভাৰতৰ ইতিহাস নতুনকৈ লিখিব লাগে বুলি উল্লেখ কৰিছিল। আঞ্চলিক ইতিহাসে দেশৰ ইতিহাসক সম্পূৰ্ণ ৰূপত দাঙি ধৰিব বুলিও তেওঁ মত প্ৰকাশ কৰিছিল। বৰ্তমান দেশৰ ইতিহাসত অসম তথা উত্তৰ-পূবৰ ইতিহাসে গুৰুত্বসহকাৰে স্থান লাভ কৰা নাই অথবা উত্তৰ-পূবৰ ইতিহাসৰ বিষয়ে ভাৰতৰ ইতিহাসত কোনো উল্লেখ পোৱা নাযায়। পূৰ্বৰ ইতিহাস প্ৰণেতাসকলে অসম তথা উত্তৰ-পূবক ভাৰতৰ মূল সুঁতিৰ সমাজ আৰু ইতিহাসত স্থান দিয়া নাছিল আৰু আনকি আজিও মূলসুঁতিৰ বাহিৰতে ৰখা হয় এই অঞ্চলৰ সমাজ-সংস্কৃতিক। অসম তথা উত্তৰ-পূবৰ মানুহ আৰু সমাজ যে ভাৰতৰ অবিচ্ছেদ্য অংগ, সেই সত্যৰ বিষয়ে দেশবাসীৰ বেছিভাগেই জ্ঞাত নহয়। উত্তৰ-পূবৰ মানুহৰ প্ৰতি উত্তৰ-পূবৰ বাহিৰৰ বেছিভাগ লোকৰে দৃষ্টিভংগী ত্ৰুটিপূৰ্ণ আৰু আনকি বিদ্বেষ-বৈষম্যপূৰ্ণ। একধৰণৰ বৰ্ণ বৈষম্যৰ অভিযোগ উত্থাপিত হৈ আহিছে। বিভিন্ন ধৰণৰ বৈষম্যৰ বলি হৈ আহিছে অসম তথা উত্তৰ-পূবৰ লোকসকল বিশেষকৈ যুৱক-যুৱতীসকল। এই অঞ্চলৰ যুৱক-যুৱতীসকলক বহিঃৰাজ্যৰ ভাৰতীয়সকলে তেওঁলোকৰ লগৰ বুলি আৰু একে ভাৰতীয় নাগৰিক বুলি সমঅধিকাৰ নাইবা সমমৰ্যাদা দিব নিবিচাৰে বুলি বিভিন্ন সময়ত বিভিন্নজনে অভিযোগ উত্থাপন কৰি আহিছে। মণিপুৰৰ কন্যা মেৰী কমৰ ক্ৰীড়া প্ৰতিভাক হয়তো বহুতেই স্বীকৃতি দিছে। কিন্তু আন মণিপুৰী যুৱতীয়ে আজিও ভাৰতীয় বুলি স্বীকৃতি পাবলৈ অনেক কষ্ট কৰিবলগীয়া হৈছে আৰু আনকি সন্মান হানিকাৰক পৰিস্থিতিৰো সন্মুখীন হ'বলগীয়া হৈছে। বৈষম্যমূলক ঘটনা সংঘটিত হৈ থকাৰ কাৰণেই কেন্দ্ৰীয় চৰকাৰে ৰাজধানী দিল্লীত উত্তৰ-পূবৰ লোকসকলৰ নিৰাপত্তাৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছে। উত্তৰ-পূবৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে পৃথক ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাস নিৰ্মাণ কৰিছে। কিন্তু এয়া ঐক্য-সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰকৃত পৰিচয় নহয় বা হ'ব নোৱাৰে। বৰঞ্চ এনে পৃথক ব্যৱস্থাই উত্তৰ-পূবৰ যুৱক-যুৱতীসকলক বিচ্ছিন্ন কৰি ৰখাতহে সহায় কৰিব। সেয়ে প্ৰকৃত ঐক্য-সম্প্ৰীতি আৰু সমন্বয়ৰ বাবে অঞ্চলটোৰ মানুহ আৰু সমাজৰ ইতিহাস, সংস্কৃতি দেশবাসীৰ আগত দাঙি ধৰাৰ ব্যৱস্থা কৰিব লাগে। উত্তৰ-পূবৰ ইতিহাস লিখিলেই নহ'ব, সেই ইতিহাস যাতে দেশবাসীয়ে আৰু দেশৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ পায় তাৰ ব্যৱস্থাও কৰিব লাগিব। ভাৰতৰ সমাজ আৰু ইতিহাসৰ পাঠ্যপুথিত অসম তথা উত্তৰ-পূবৰ ইতিহাস সংযোজিত হ'ব লাগিব। লাচিত বৰফুকন, মণিৰাম দেৱান, কনকলতা আদি অসংখ্য জাতীয় বীৰ তথা শ্বহীদৰ জীৱনৰ লগতে পথৰুঘাটৰ ৰণৰ দৰে মহত্ত্বপূৰ্ণ ঘটনাক ভাৰতৰ ইতিহাস হিচাপে দাঙি ধৰিব লাগিব। দেশৰ ঐক্যৰ শ্ল'গান তেতিয়াহে সাৰ্থক হ'ব।

Editorial = DAINIK ASAM = October-20, 2017. P.=4
সম্পাদকীয় = দৈনিক অসম = অক্টোবৰ 20, 2017. পৃ = 8